**জনসংযোগ, কামৰূপ মহানগৰ** **প্ৰেছ বাৰ্তা নং ১৩১/২০২১**

**কামৰূপ মহানগৰত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধিত উদ্বিগ্ন প্ৰশাসন**

**সংক্ৰমণ ৰোধৰ স্বাৰ্থত মোহৰ মৰা হ'ব আৰ টি পি চি আৰ টেষ্ট কৰা লোকসকলক**

**ৰেল ষ্টেচন, বিমান বন্দৰত ক'ভিড টেষ্ট বাধ্যতামূলক**

গুৱাহাটী, ১৬ জুলাইঃ প্ৰশাসনৰ অক্লান্ত প্ৰচেষ্টা সত্বেও ক'ভিড আক্ৰান্তৰ সংখ্যা হ্ৰাস নোপোৱা বিষয়টোৰ বিতং বিশ্লেষণৰ বাবে শুক্ৰবাৰে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উন্নয়ন আয়ুক্ত নিবেদন দাস পাটোৱাৰী, গুৱাহাটী পৌৰনিগমৰ অতিৰিক্ত আয়ুক্ত পুলক মহন্ত, অতিৰিক্ত উপ আৰক্ষী আয়ুক্ত সঞ্জীৱ শইকীয়াৰ উপৰি প্ৰশাসনৰ শীৰ্ষ বিষয়া তথা স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী, এ পি ডব্লিউ, প্ৰতিৰোধী বন্ধুসকল উপস্থিত থকা এই সভাত অহা ১০ দিনৰ ভিতৰত জিলাখনৰ ক'ভিড আক্ৰান্তৰ সংখ্যা হ্ৰাস কৰাৰ লক্ষ্য আগত ৰাখি উপায়ুক্ত বিশ্বজিৎ পেগুৱে কেতবোৰ নতুন ব্যৱস্থা কাৰ্যকৰী কৰাৰ বাবে নিৰ্দেশ দিয়ে। নিৰ্দেশ অনুযায়ী এতিয়াৰে পৰা ক'ভিডৰ আৰ টি পি চি আৰ কৰাৰ পিছত সংক্ৰমণ ৰোধৰ স্বাৰ্থত ব্যক্তিজনক মোহৰ মাৰি দিয়া হ'ব আৰু ফলাফল নিদিয়া পৰ্যন্ত তেওঁক হ'ম কোৱাৰাইন্টাইন কৰাৰ বাবে স্বাস্থ্যকৰ্মী আৰু আৰক্ষীৰ কঠোৰ নিৰীক্ষণত থাকিব। ক'ভিড সংক্ৰমণ ৰোধ কৰাৰ বাবে অনাগত কেইদিনমান বজাৰস্থলী সমূহত ক'ভিড পৰীক্ষাৰ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে ই-কমাৰ্চৰ লগত নিয়োজিত ব্যক্তি, অ'লা-ওবেৰৰ কৰ্মচাৰীসকলক ক'ভিড পৰীক্ষা কৰাৰ ওপৰত জোৰ দিয়া হয়। জিলাখনৰ ৬টা জ'ন বিশেষে লেন-বাইলেনৰ সমিতি, ফ্লেটৰ সমিতি, নাগৰিক সমিতিসমূহৰ লগত সভা অনুষ্ঠিত কৰি ক'ভিড মহামাৰীৰ ভয়াবহতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি দিয়া হ'ব। আনহাতে চৰকাৰী নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা দুপালি প্ৰতিষেধক লোৱা ব্যক্তিসকলেও বিমানবন্দৰত আৰু ৰেল ষ্টেচনত ক'ভিড টেষ্ট কৰা বাধ্যতামূলক।

ইফালে জিলাখনৰ পৰীক্ষাগাৰসমূহৰ স্বত্বাধিকাৰীৰ লগত অনুষ্ঠিত আন এখন সভাত ২৪ ঘন্টাৰ ভিতৰত আৰ টি পি চি আৰ ফলাফল দিবলৈ নিৰ্দেশ দিয়া হয়। পূৰ্বতে আৰ টি পি চি আৰ ফলাফল দিয়াৰ পলম হোৱা বাবে ফলাফল নিদিয়া পৰ্যন্ত সংক্ৰমণ বৃদ্ধি হোৱাৰ স্থল আছিল।